# ছিপাঝাৰ মহাবিদ্যালয়

# আলোচনী

২০০৪-০৫ বৰ্ষ




সম্পাদক

নৃপেন ডেকা

# ছিপাঝাৰ মহাবিদ্যালয় আলোচনী

ত্ৰয়োবিংশতম সংখ্যা

২০০৪ - ০৫ বৰ্ষ

1-15

## Sipajhar College Magazine

Vol. No. 23
2004-05

1-15

তত্ত্বাবধায়িকা
ডʼ তন্দ্ৰালী চৌধুৰী

সম্পাদক
নৃপেন ডেকা

মাননীয়/মাননীয়া ..............................................

.............................................................. লৈ

শ্ৰদ্ধা আৰু শুভেচ্ছাৰে-
সম্পাদক

# অশ্রু অঞ্জলি

"ভাগি গ'ল বীণধনি ছিগি গ'ল তাঁৰ
ৰৈ গ'ল অৱশেষ অমিয় জোকাৰ"

শিক্ষাবিদ পদ্মশ্ৰী ইন্দিৰা মিৰি, পুলিচ বিষয়া তথা জনপ্ৰিয় লেখক খবিৰ আহমেদ, যশস্বী নাটকাৰ ভবেন বৰুৱা আৰু মুনীন ভূঞা, প্ৰাক্তন প্ৰধান মন্ত্ৰী নৰসিংহ ৰাও, প্ৰসিদ্ধ সাহিত্যিক, গুৱাহাটী বিশ্ববিদ্যালয়ৰ ইংৰাজী বিভাগৰ অধ্যাপিকা ড° অনিতা বৰুৱা শৰ্মা, ধ্ৰুপদী গায়িকা এম.এচ. শুভলক্ষ্মী, গীতিকাৰ আনিমুন্নিছা পিয়াৰ, প্ৰসিদ্ধ অভিনেতা, সাংসদ সুনীল দত্ত, ভাৰতীয় উপন্যাসৰ জনক মুকুল ৰাজ আনন্দ, প্ৰখ্যাত চিত্ৰাভিনেতা অমৰীশ পুৰী, পোপ জন প'ল(দ্বিতীয়), বিশিষ্ট গল্পকাৰ জেহিৰুল হুছেইন (নাইচ), পেলেষ্টাইনী মুক্তি সংগ্ৰামৰ কিম্বদন্তী নেতা যাচেৰ আৰাফট, প্ৰাক্তন শিক্ষাধিকাৰ যশোদানন্দ ভৰালী, বিশিষ্ট ঔপন্যাসিক, গল্পকাৰ উমাকান্ত শৰ্মা, প্ৰখ্যাত চিত্ৰকৰ্মী মৃণালকান্তি দাস, সঙ্গীতজ্ঞ পাৰ্থপ্ৰতীম চৌধুৰী, অসম জাতীয় বিদ্যালয়ৰ অন্যতম প্ৰতিষ্ঠাপক ভবেন চন্দ্ৰ বৰা, অগ্ৰদূতৰ শব্দ ন্যাৰিকৰ প্ৰকাশ দাস, ভ্ৰাম্যমাণ মঞ্চশিল্পী গৌতম শৰ্মা, বিশিষ্ট ভাস্কৰ লম্বোদৰ হাজৰিকা, ভাৰতীয় ক্ৰিকেটাৰ মোস্তাক আলি, গুৱাহাটী মহৰ্ষি বিদ্যা মন্দিৰৰ ছাত্ৰ উদীপ্ত শৰ্মা, সাহিত্যিক চিদানন্দ শইকীয়া, ন্যায়াধীশ ডম্বৰুধৰ পাঠক, আকাশবাণীৰ বাতৰি পৰিবেশিকা বিভা গোস্বামী, ২০০৪ চনৰ ২৬ ডিচেম্বৰৰ প্ৰলয়ংকৰী চুনামীত নিহত দুই লক্ষাধিক লোক, জম্মু কাশ্মীৰৰ লগতে পাকিস্তানত অলপতে হৈ যোৱা ভূমিকম্পত নিহত শত-সহস্ৰ জন, সাহিত্যাচাৰ্য্য যতীন্দ্ৰ নাথ গোস্বামী, বিশিষ্ট সাহিত্যিক, নাট্যকাৰ মহেন্দ্ৰ বৰঠাকুৰ, ৰাজনৈতিক জগতৰ নক্ষত্ৰ স্বৰূপ সিংহপুৰুষ খ্যাত শৰৎ চন্দ্ৰ সিংহ, যিসকলে বুকুৰ তেজৰে মাতৃৰ চৰণ ধুৱাই শ্বহীদ হ'ল আৰু অজ্ঞাত অনেক গুণী-জ্ঞানী ব্যক্তিৰ বিয়োগত আমাৰ অশ্ৰু-অঞ্জলি যাচিলোঁ।

।। সম্পাদনা সমিতি ।।

# শুভেচ্ছা বাণী



কেশৱানন্দ দেৱগোস্বামী
গুৱাহাটী
তাৰিখ ঃ ২৫-০২-০৬

শুভেচ্ছা বাণী! ই এটা আহুকলীয়া কথা। দিয়াজনৰ যোগ্যতা আনে নিৰ্ণয় কৰিলেও সকলোৱে নামানিব পাৰে। ভাল হৈছে, ভাল পাইছো, আনন্দিত হৈছো আদি গতানুগতিক শব্দকেইটামানেৰে 'এই দিশত আৰু আগবাঢ়ি যাওক বুলি ক'লেই যাবনে? এনে বাকসিদ্ধ পুৰুষ ওলালেতো বৰ ভাল কথা!

যোৱা বছৰ ছিপাঝাৰ কলেজলৈ গৈছিলোঁ- চপাই চৌধুৰীবংশৰ বক্তৃতাৰ অনন্ত চৌধুৰী স্মাৰক বক্তৃতাৰ সম্পৰ্কত। ড° নগেন শইকীয়াই সেই বক্তৃতা প্ৰদান কৰিছিল। মই তাত এক প্ৰকাৰ টেমেকা। কি ক'লো, ক'ব নোৱাৰোঁ। সেই আপাহতে বোধহয় মোক জনালে কলেজ আলোচনীখনৰ কাৰণে শুভেচ্ছা বাণী লাগে। জাপ মাৰি উঠিলোঁ; আও মই ইমান কিবা এটানে যে শুভেচ্ছাবাণী দিব পৰা হ'লোঁ। অৱশ্যে নিজৰ হাতেৰে ভুল বাণানেৰে ভব্য-গব্যই লিখি দিয়া অথবা কোনো মন্ত্ৰী বা তেনে পৰ্যায়ৰ লোকক আনে লিখি দিয়া শুভেচ্ছাবাণীও দেখা পাইছোঁ। অধিক কিময়ে লিখি দিয়াটোকে আনৰ হাতেদি সংগ্ৰহ কৰাই, ময়ো উপস্থিত থকা সভাত উক্ত পৰ্যায়ৰ লোকে পঢ়ি দিছে আৰু তাতে ময়ো আনন্দেৰে হাত চাপৰি বজাইছো। মুখখন মেলিলেহে কেতিয়াবা স্বৰূপটো ওলায়; নাম এটা, শব্দ এটা যেতিয়া ভুলকৈ কয়, তেতিয়া সেইসকল 'ডাঙৰ' স্মৰণে তেনেবোৰ কথা 'লীলা' হৈ পৰে। মানুহে ক'ব- 'বৰ দিছে।' সাজি কোৱা নাই।

সেইবোৰ পৰচৰ্চাত পোৱা ৰগৰ। কলেজবোৰৰ আলোচনী সাহিত্য সেৱীৰ জুইশাল বুলি কোৱা হয়; তাৰ পৰাই কমাৰ শালৰ বহল পথাৰখনত প্ৰৱেশ আৰু প্ৰতিষ্ঠাৰ সুৰুঙা বা সুবিধা ওলায়। পিছে কাযাতঃ দেখা যায় যে মাঘ-ফাগুনত ভিৰ বান্ধি আমে মলিয়াই যদিও বতাহ-ধুমুহাত তাৰে ভালেখিনি বিধ্বস্ত হয়; আনকি কলিতো কিছুমান সৰি পৰাৰ দৰে সাহিত্যৰ নামত আঁক-বাঁক কৰি, কবি যশপ্ৰাৰ্থী অনেকেই পিচত শোটোৰা পৰি সময়ৰ চৌত নিশ্চিহ্ন হৈ পৰে। অতি কম সংখ্যকহে ৰয়গৈ। আজি-কালি জ্ঞানৰ বিস্ফোৰণ ঘটি পথাৰখন বহল হৈ পৰিছে, কিতাপ-আলোচনীৰ সংখ্যা যথেষ্ট বাঢ়িছে; পিছে অনেক ক্ষেত্ৰতে বিষয়ৰ গভীৰতা যেন নোহোৱা হৈছে আৰু ভাষায়ো কালিকা হেৰুৱাই কিবা ৰূপ লৈছে। কোনেও কাৰো কথা নুশুনে- সকলো নিজে নিজেই হোৱা বিশেষজ্ঞ। ব্যাকৰণৰ, আখৰ জোটনিৰ সাধাৰণ কথাখিনিলৈকে মন নকৰি হাতত যি আহে, তাকে লিখা, সকলোটি নিজে জনা বুলি ভৱাতে বিপৰ্যয় ঘটে। হস্তীৰো পাৰ পিচলে; সেয়ে হাতীয়ে খোজ দিওঁতে চাই-চিতি দিয়া ভাল।

ঠাইলৈ মাত অৰ্থাৎ উচ্চাৰণ বেলেগ হয়। সেইমতে লিখা হ'লে সি নিকা হৈ নাথাকিব। ভাষাৰে ভঁজুৱা হৈছেই। যিকোনো এটা জীৱিত ভাষাৰ পৰিৱৰ্তন সময়ে সময়ে হোৱাটো স্বাভাৱিক; বদ্ধ জলাশয় দৰে হ'লে তাৰ মৃত্যু অনিবাৰ্য। শংকৰদেৱৰ কালৰ ভাষা, আনকি তাৰ পিছৰো ভাষা আজিৰ চাযে বুজি নাপায়। খৃষ্টান মিশ্যনেৰী সকলৰ দিনৰ ভাষা হৈ পৰিছিল- বিচিত্ৰ। ইংৰাজীৰ পৰা অনুবাদ কৰোঁতে De Friend টো কৰা হৈছিল 'বেথাৰ মিতিৰ'। সেইবুলি বান্ধি দিয়া ব্যাকৰণ আৰু ভাষাতত্ত্বৰো প্ৰাথমিক ক কেতবোৰ লঙ্ঘন কৰিলে সি এক অদ্ভুত পদাৰ্থত পৰিণত হ'ব। সাহিত্য চৰ্চাৰ অনুশীলন কৰিবলৈ ওলো সকলে এইফালে সতৰ্ক দৃষ্টি ৰাখিব লাগিব। কথাষাৰ ইয়াত উত্থাপন কৰাৰ কাৰণ হৈছে- কলেজ এখন আলোচনীৰ পাততে নতুন প্ৰতিভাই আত্মপ্ৰকাশৰ অৱকাশ পায়। যেতি কৰিবলৈ ওলাই মাটি ডৰা ভালদ চহাই-মৈয়াই নল'লে, বন-জাবৰ আঁতৰ নকৰিলে ভাল শস্যৰ আশা কৰিব নোৱাৰাৰ দৰে কথা হ'ব। সে এইখিনিৰ অৱতাৰণা। 'ভাল হৈছে', 'চেষ্টা কৰক' এনে উদগণি সকলোৰে দিয়ে; পিছে ডাৰউইনৰ সূত্ৰ 'Su vival of the fittest' মতে উপযুক্ত হ'বলৈ অনেক যত্নৰ প্ৰয়োজন। প্ৰতিযোগিতাৰ দৌৰত সকলো প্ৰথম উত্তীৰ্ণও নহয়; তথাপি Failures are the pillars of success বাক্য সুঁৱৰি যদি নিয়ত সাধনা হ'ব পৰা যায়, তেন্তে হয়তো সুফল পোৱা যাব। Rome was not built in a day- সহি অনুশীলনকাৰীৰ এয়ে পৰম পাথেয় হওক। চৰৈৱতি - চৰৈৱতি।

উপসংহাৰঃ ঠাইখন বুলিলেই সততে মনলৈ আহে কেইগৰাকীমান বৰেণ্য আৰু উদীয়মান প্ৰতিভা ব্যক্তিৰ নাম। সংগীত নাটক অকাদেমীৰ ৰাষ্ট্ৰীয় বঁটাৰে অসমলৈ গৌৰৱ কঢ়িয়াই অনা ওজা শিল্পী নদি নাথৰ গাত থকা গুণৰাশিৰ পোহৰ, বন্তি গছিৰ তলৰ ঠাইখিনিত পৰা নাই। সেই অমূল্য জাতীয় সম্পদখিনি মূল্যায়ন কোনে কৰিব? নেজৰ জুই হনুমন্তই নিজে নুমুৱাৰ দৰে ছিপাঝাৰৰ বিদ্যানুৰাগীয়েই নকৰিলে 'হাবি বতাহে হাবিতে নাশে' হ'ব। সাহিত্যৰ বাহিৰেও পৰিৱেশ্য কলা-সম্পদৰ যি ভাণ্ডাৰ এই অঞ্চলত প্ৰবহি আৰু সংৰক্ষিত, সিও পোহৰলৈ ভালদৰে অহা নাই। ঐতিহ্য পৰম্পৰাৰ প্ৰতি শ্ৰদ্ধাশীল মনোভাৱেৰে উ অহা চামে এনে কামত আত্মনিয়োগ কৰিলে জাতীয় কৰ্তব্য পালন কৰা বুজাব। ইও কাম্য। শুভেচ্ছা- আৰু জাতিৰ আশা-ভৰসা থলী সেই সকললৈ।

[illegible]


নগেন শইকীয়া
সম্পাদক, আমাৰ অসম
NAGEN SAIKIA
Editor, Amar Asom





2462436(R)
2525253(O)
2521465/66/67(PBX)
94350-30340(M)


শুভেচ্ছা বাণী

দিখৌমুখৰ মহাবিদ্যালয়ৰ বাৰ্ষিক মুখপত্ৰখনিত শৈক্ষিক সংস্কৃতি প্ৰসংগৰ [illegible] বহুতো বিষয় সন্নিবিষ্ট হৈছে। বিদ্যালয় - মহাবিদ্যালয়ৰ মুখপত্ৰসমূহ ছাত্ৰ-ছাত্ৰীৰ আৰু শিক্ষক-শিক্ষয়িত্ৰী সকলৰ চিন্তা, অভিজ্ঞতা, জ্ঞান, কল্পনা আৰু অনুভৱ প্ৰকাশৰ মাধ্যম। সাম্প্ৰতি বিশ্ব বিজ্ঞান আৰু প্ৰযুক্তিৰ ক্ষেত্ৰত বিস্ময় সাধিত হৈছে। [illegible] বিশ্বত জ্ঞানৰ বিস্ফোৰণ ঘটিছে। এই সময়ত ছাত্ৰ-ছাত্ৰীয়ে মুখপত্ৰখনিৰ সৃষ্টিশীল আৰু জ্ঞান-বিজ্ঞানভিত্তিক [illegible] প্ৰসাৰ লাভ কৰিব। দিখৌমুখৰ অঞ্চলৰ লোক-জীৱন আৰু লোক-সংস্কৃতিৰ পৰিচয় মুখপত্ৰখনিত নিশ্চয় প্ৰতিফলিত হ'ব। মই আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিলোঁ।

২৭ ফেব্ৰুৱাৰী ২০০৬

[illegible]


OFFICE : AMAR ASOM, G.L. PUBLICATIONS LTD., G.S. ROAD, ULUBARI, GUWAHATI-781007
Residence : L.K.R. Barua Road, House No. 11, Nabin Nagar, Guwahati-781024



# শুভেচ্ছা বাণী

বঞ্জিৎ কুমাৰ দেৱগোস্বা
৯, গুৱাহাটী বিশ্ববিদ্যালয় চৌ
গুৱাহাটী - ৭৮১০
২ মাৰ্চ, ২০

স্থানীয় ৰাইজৰ শ্ৰম আৰু ত্যাগৰ বিনিময়ত গঢ় লৈ উঠা ছিপাঝাৰ মহাবিদ্যালয়ে প্ৰতিস্থাকালৰে প এতিয়ালৈ পয়ত্ৰিশটা বছৰ অতিক্ৰম কৰিলে। সাতানব্বৈ চনত উলহ-মালহেৰে পতা ৰূপালী জয়ন্তী উৎসৱৰ অংশী হ'বলৈ পাইছিলো অন্যান্য অভ্যাগতৰ লগতে ঃ এতিয়া সোণালী জয়ন্তীৰ শুভক্ষণ সমাগত - মহাবিদ্যালয়ৰ প্ৰশা সমূহ শিক্ষক-শিক্ষয়িত্ৰী, কৰ্মচাৰী আৰু ছাত্ৰ-ছাত্ৰীলৈ আগতীয়াকৈ অভিনন্দন জনোৱাৰ সময় এয়া।

ছিপাঝাৰ মহাবিদ্যালয় আলোচনীখন আশীৰ দশকৰ আগভাগৰে পৰা প্ৰতিবছৰে নিয়মীয়াকৈ ওলাই আ আলোচনীখনৰ দুটামান সংখ্যা চকুফুৰোৱাৰো সৌভাগ্য মোৰ হৈছে। প্ৰকাশোপযোগী ৰচনাৰ অভাৱত তত্ত্বাৱধা অধ্যাপক-অধ্যাপিকা আৰু সম্পাদক-সম্পাদিকা কি বিপদত পৰে তাৰ ইঙ্গিতো আমি মাজে মাজে আলোচ পাততে নোপোৱা নহয়। কিন্তু এই সমস্যা আলোচনী মাত্ৰৰেই আছে। মহাবিদ্যালয় আলোচনী বিভাগে বছ অন্ততঃ তিনিবাৰকৈ আলোচনা-চক্ৰ পাতি প্ৰকাশযোগ্য লেখাৰ সন্ধান কৰিলে বোধহয় সুফল লাভ কৰিব পাৰি অৰ্থাৎ আলোচনীৰ সম্পাদক-সম্পাদিকা অৱধাৰিত ভাবেই হ'ব প্ৰকাশযোগ্য ৰচনা-সন্ধানী এনে আলোচনা-চক্ৰ উদ্যোক্তা। আলোচনীখনক কেন্দ্ৰ কৰিয়েই এইদৰে এক আদৰ্শ শৈক্ষিক পৰিবেশৰ সূচনা কৰিব পৰা য মহাবিদ্যালয়খনত - আলোচনা-চক্ৰৰ জৰিয়তে।

জয়তু ছিপাঝাৰ মহাবিদ্যালয়।

বঞ্জিৎ কুমাৰ দেৱগোস্বামী



মহাবিদ্যালয়ৰ মাননীয় অধ্যক্ষ ড° দেৱেন্দ্ৰনাথ শৰ্মা, এম. এছ চি., পি এইচ.ডি.

# সম্পাদকৰ অনুভূতি..



প্ৰতিবেদনৰ আৰম্ভণিতে যি সকলৰ ত্যাগ, শুভেচ্ছা আৰু আশাসুধীয়া প্ৰচেষ্টাত এই মহাবিদ্যালয়খন গঢ় লৈ উঠিল সেই সকল মহান ব্যক্তিক শ্ৰদ্ধাৰে প্ৰণিপাত জনাইছোঁ। ছিপাঝাৰ মহাবিদ্যালয়ৰ আলোচনী সম্পাদক হোৱাৰ বহুদিনীয়া সপোন আছিল। এই সপোন বাস্তৱত ৰূপ দিয়াত যি সকল বন্ধু-বান্ধৱীয়ে সহায় কৰিছিল তেওঁলোকলৈ আন্তৰিক শুভেচ্ছা যাছিলোঁ।

সাহিত্যই এটা জাতিৰ বৌদ্ধিক আৰু মানসিক উৎকৰ্ষ সাধন কৰে। সাহিত্যৰ লক্ষ্যই হ'ল বিশ্বৰ মঙ্গল সাধন কৰা। Its purpose is not to reflect the world but to redeem the world. পৃথিৱীৰ প্ৰতিটো জনগোষ্ঠীৰ নিজা নিজা ভাষা সংস্কৃতিৰ আলমত উৎকৃষ্ট সাহিত্যৰ সৃষ্টি হয়। এখন দেশ বা এটা জাতিৰ চৌপাশৰ পৰিবেশে সেই দেশ বা জাতিৰ সাহিত্যত বিশেষ ভাবে প্ৰভাৱিত কৰে। সেয়ে আমি পৃথিৱী বিখ্যাত কোনো এখন গ্ৰন্থত সেইদেশ বা জাতিটোৰ ৰাজনৈতিক, সামাজিক, ধৰ্মীয় আৰু সাংস্কৃতিক দিশৰ স্পষ্ট ছবি এখন দেখিবলৈ পাওঁ। এজন ব্যক্তিৰ সাহিত্য সৃষ্টিৰ সাধনা কৈশোৰ কালৰ পৰাই আৰম্ভ হৈ বৃদ্ধ অৱস্থালৈ চলি থাকে। এই পৰিক্ৰমাত সাহিত্য সৃষ্টিৰ সুস্থ পৰিবেশ সমূহে বিশেষ ভাবে প্ৰভাব পেলোৱা পৰিলক্ষিত হয়। তেনে ক্ষেত্ৰত বিদ্যালয়-মহাবিদ্যালয়ৰ পৰিবেশ অন্যতম। এনে শৈক্ষিক পৰিবেশত ছাত্ৰ-ছাত্ৰীসকলে সাহিত্যৰ সাধনা কৰিবলৈ সুবিধা পায়। বিদ্যালয়ত মহাবিদ্যালয়ৰ কৰ্মৰত জ্যেষ্ঠ অধ্যাপক-শিক্ষক সকলৰ প্ৰেৰণা, মহৎ গ্ৰন্থৰ পৰা লাভ কৰা অনুপ্ৰেৰণা আদিৰ ফলত একোজন ছাত্ৰ-ছাত্ৰী পিচলৈ এজন উদীয়মান সাহিত্য স্ৰষ্টালৈ ৰূপান্তৰিত হয়। দৰং জিলাৰ একোণত অৱস্থিত ছিপাঝাৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলৰ সাহিত্যিক প্ৰতিভাসমূহ বিকাশৰ বাবে প্ৰতিবছৰে এখনকৈ আলোচনী প্ৰকাশ কৰি অহা হৈছে। তেনে উদ্দেশ্য আগত ৰাখিয়েই আমিও এইবেলি ছিপাঝাৰ মহাবিদ্যালয় আলোচনীৰ সম্পাদকৰ দৰে গুৰুদায়িত্ব লৈ এখন উৎকৃষ্ট তথ্য সমৃদ্ধ আলোচনী প্ৰকাশৰ বাবে আগবাঢ়িছিলোঁ। ছিপাঝাৰ অঞ্চলৰ সাহিত্যৰ প্ৰতি আগ্ৰহী ব্যক্তিসকলৰ সৃষ্টিশীল চিন্তাধাৰা সময়ে সময়ে উৎকৃষ্ট গ্ৰন্থ প্ৰকাশৰ জৰিয়তে প্ৰতিভাত হৈ আহিছে। ছিপাঝাৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলৰ আবেগিক,

বৌদ্ধিক, কলাত্মক চিন্তাধাৰাক প্ৰকাশযোগ্য মাধ্যমৰ জৰিয়তে বিকশিত কৰিবলৈ মহাবিদ্যালয় আলোচনীখ
জৰিয়তে পাৰ্যমানে চেষ্টা কৰিছোঁ। আলোচনীখনৰ সম্পাদনাৰ দৰে গুৰুদায়িত্ব লৈ কিমানখিনি সফলতা লা
কৰিছো তাৰ বিচাৰৰ ভাৰ ছাত্ৰ-ছাত্ৰী তথা সহৃদয় পাঠকলৈ আগবঢ়ালোঁ।

ছিপাঝাৰ মহাবিদ্যালয়ৰ এটি সুখৰ খবৰ হ'ল অসমৰ আগশাৰীৰ অসমীয়া বাতৰি কাকত "অসমী
ছিপাঝাৰ মহাবিদ্যালয়ৰ এটি সুখৰ খবৰ হ'ল ... ইং ০২/০১/০৬ তাৰিখে "অসমী
খবৰ"ত প্ৰকাশিত 'কলেজ চৌহদ' খ্যাত এক পৃষ্ঠাজোৰা শিতানটিত ইং ০২/০১/০৬ তাৰিখে "অসমী
খবৰ"দৈনিক কাকতত ছিপাঝাৰ মহাবিদ্যালয়ৰ এটি স্পষ্ট ছবি প্ৰকাশ পায়। এই ক্ষেত্ৰত সহায় কৰা
হাজৰিকা ছাৰ আৰু 'অসমীয়া খবৰ' কাকতৰ ছিপাঝাৰৰ সংবাদদাতা গগন কুমাৰ নাথলৈ আন্তৰিক শ্ৰদ্ধা আ
কৃতজ্ঞতা যাচিছোঁ।

**মহাবিদ্যালয় সপ্তাহ ঃ**

কাৰ্যভাৰ লোৱাৰ পিছতেই ছিপাঝাৰ মহাবিদ্যালয় সপ্তাহ আৰম্ভ হয়। মহাবিদ্যালয় সপ্তাহৰ লগ
সংগতি ৰাখি ইং ৭/১২/০৪ তাৰিখ মঙ্গলবাৰে সাহিত্য প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। সাহিত্য প্ৰতিযোগি
উদ্বোধন কৰে মহাবিদ্যালয়ৰ প্ৰবক্তা মাননীয় ড° ৰামচন্দ্ৰ ডেকা দেৱে। ছাত্ৰ-ছাত্ৰীসকলক থিতাতেই গ
কবিতা আৰু পত্ৰ লিখিব দিয়া হৈছিল। গল্প প্ৰতিযোগিতাত প্ৰথম ৰশ্মিৰেখা দেৱী, কবিতা প্ৰতিযোগিতা
প্ৰথম ফুলন দেৱী, পত্ৰলিখা প্ৰতিযোগিতাত প্ৰথম দুলাল চন্দ্ৰ ডেকা আদি প্ৰতিযোগীসকলে সীমিত সময়
ভিতৰত সৃষ্টিশীল প্ৰতিভাৰ পৰিচয় দিব পাৰিছিল। সচাঁকৈয়ে এইটো বৰ আনন্দৰ কথা আৰু উৎসাহজন
বিষয়।

**আলোচনী সম্পৰ্কত এষাৰ ঃ**

মহাবিদ্যালয় পৰ্যায়ৰ আলোচনী এখন সম্পাদনা কৰি উলিওৱা সহজসাধ্য নহয়। উপযুক্ত লিখনি
কাৰণেও আলোচনীখন প্ৰকাশ কৰাৰ ক্ষেত্ৰত বহুত কষ্ট কৰিবলগা হয়। আৰ্থিক ভড়াল টনকিয়াল নোহো
বাবে আলোচনীখন মনপুতকৈ প্ৰকাশ কৰিব নোৱাৰি।

ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধবী সকলৰ এটি বিপুল দাবী আছিল যে আলোচনী খনৰ স্থায়ী নাম এটা লাগে
এই ক্ষেত্ৰত আমি সম্পাদনা সমিতিয়ে গুৰুত্বপূৰ্ণ ভূমিকা লৈছিলোঁ। সম্পাদনা সমিতিৰ কাৰ্যনিৰ্বাহক সভা
প্ৰস্তাৱ লৈছিলোঁ আৰু উক্ত প্ৰস্তাৱটিৰ আৰ্হি বাতৰি কাকতযোগে প্ৰাক্তন ছাত্ৰ-ছাত্ৰী, শুভাকাংখী বাই
শিক্ষক-শিক্ষয়িত্ৰী, কৰ্মচাৰী আৰু ছাত্ৰ-ছাত্ৰী সকলৰ পৰা নাম বিচাৰি বিজ্ঞাপন দিয়া হৈছিল, কিন্তু দুখৰ বি
কোনো সহাৰি পোৱা নগ'ল। সেয়ে আলোচনীখনৰ স্থায়ী নাম দিব পৰা নহ'ল, তাৰ বাবে আমি সম্পাদ
সমিতিয়ে মাৰ্জনা বিচাৰিছোঁ।

**প্ৰাচীৰ পত্ৰিকা ঃ**

মহাবিদ্যালয়ৰ আলোচনী বিভাগে বহুৰত দুখনকৈ প্ৰাচীৰ পত্ৰিকা উন্মোচন কৰি আহিছে। আম
কাৰ্যকালতো দুখন প্ৰাচীৰ পত্ৰিকা প্ৰকাশ কৰি উলিওৱা হয়। প্ৰথম সংখ্যা মহাবিদ্যালয় সপ্তাহত প্ৰকাশ ক
হয়। উন্মোচনৰ কৰে ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ পৰিচালক তথা জ্যেষ্ঠ প্ৰবক্তা মাননীয় শ্ৰীযুত দ্বিজেন্দ্ৰ না

নুকলাৰ দেৱে। দ্বিতীয় সংখ্যা প্ৰকাশ কৰা হয় নৱাগত আদৰণি সভাত। উন্মোচন কৰে ছাত্ৰ একতা সভাৰ
ৰ্যকৰী সভাপতি তথা জ্যেষ্ঠ প্ৰবক্তা মাননীয় শ্ৰীমহেন্দ্ৰ কটকী দেৱে। এই চেগতে তেওঁলোকলৈ আন্তৰিক
তজ্ঞতা যাচিলোঁ। লিখনি আৰু অংকণত বিশেষ ভাবে সহায় কৰা শ্ৰীমান সম্ফুল নাথ আৰু অমৰজ্যোতি
কলৈ আমাৰ কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

**কৃতজ্ঞতা স্বীকাৰ ঃ**

আলোচনীখন সম্পাদনাৰ ক্ষেত্ৰত সহায়-সহযোগিতা আগবঢ়োৱা ছিপাঝাৰ মহাবিদ্যালয়ৰ অধ্যক্ষ
থা আলোচনী সম্পাদনা সমিতিৰ সভাপতি মাননীয় ড° দেৱেন্দ্ৰ নাথ শৰ্মা, উপাধ্যক্ষ মাননীয় শ্ৰীযুত কনক
দ্ৰ ডেকা আৰু তত্বাবধায়িকা ড° তন্দ্ৰালী চৌধুৰী বাইদেউলৈ আন্তৰিক কৃতজ্ঞতা যাচিলোঁ।

লেখনিসমূহৰ মানদণ্ড বিচাৰ কৰি দি আলোচনীখন প্ৰকাশ কৰি উলিওৱাত সহায় আগবঢ়োৱা সম্পাদনা
মিতিৰ পদেন সদস্য মাননীয় শ্ৰীমহেন্দ্ৰ কটকী, সদস্য ড° ৰামচন্দ্ৰ ডেকা, শ্ৰীমণ্টু হাজৰিকা, শ্ৰীপ্ৰসন্ন কুমাৰ
থ, শ্ৰীসুৰেশ কুমাৰ, মাননীয়া শ্ৰীমালিনী নায়াৰ, শ্ৰীমোহিনী গোস্বামী, শ্ৰীপ্ৰভাদেৱী আৰু শ্ৰীবৰ্ণালী শৰ্মা
াইদেউলৈ আমাৰ আন্তৰিক অভিনন্দন আৰু কৃতজ্ঞতা যাচিলোঁ। আলোচনীখনৰ বিভিন্ন দিশত পৰামৰ্শ
িয়া মহাবিদ্যালয়ৰ উচ্চবৰ্গৰ সহায়ক মাননীয় শ্ৰীগোলাপ চন্দ্ৰ নাথ, প্ৰাক্তন কৃতী ছাত্ৰ, সাহিত্যিক মাননীয়
ীগিৰীশ নাথ আৰু দাতা সংগ্ৰহত সহায় কৰা মাননীয় শ্ৰীবেৱকান্ত ডেকালৈ আন্তৰিক শুভেচ্ছা জ্ঞাপন
কৰিলোঁ। ছাত্ৰ-একতা সভাৰ সমূহ বিষয়ববীয়া, আলোচনী সম্পাদনা সমিতিৰ সমূহ বিষয়ববীয়া আৰু মোৰ
ম-কাজত সততে সহায় সহযোগিতা আগবঢ়োৱা বন্ধু-বান্ধৱীৰ লগতে লেখক-লেখিকা সকললৈ কৃতজ্ঞতা
কিল। এই চেগতে কম্প-এড় অফছেটৰ স্বত্বাধিকাৰ মাননীয় ৰাণা আলম আৰু তেখেতৰ কৰ্মীবৃন্দলৈ
ৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। লগতে কুসুম ষ্টুডিঅ'লৈও আমাৰ আন্তৰিক কৃতজ্ঞতা থাকিল।

শেষত মোৰ কাৰ্যকালত হোৱা ভুল-ভ্ৰান্তিৰ বাবে সহৃদয় পাঠক-পাঠিকাৰ ওচৰত মাৰ্জনা বিচাৰিছোঁ।
ছিপাঝাৰ মহাবিদ্যালয় আলোচনী সোণত সুৱগা হওঁক।

জয়তু ছিপাঝাৰ মহাবিদ্যালয়

জয়তু ছিপাঝাৰ মহাবিদ্যালয় আলোচনী বিভাগ।

শ্ৰদ্ধাৰে-

নৃপেন ডেকা

সম্পাদক, আলোচনী বিভাগ

ছিপাঝাৰ মহাবিদ্যালয় ছাত্ৰ একতা সভা

ইং ২০০৪-০৫

# আলোচনীৰ পাতে পাতে ...


| | লেখক/লেখিকা | পৃষ্ঠা নং |
|---|---|---|
| বিদায় বেলাত আমাৰ সৈতে অধ্যক্ষ শ্ৰীযুত বিদ্যাৰাম নাথ ছাৰ | | ক |
| **প্ৰবন্ধ সঁফুৰা** | | |
| কুমৰ হৰণ কাব্যত সমাজ জীৱনৰ চিত্ৰ | প্ৰভা দেৱী | ১ |
| ভাৰতীয় দৰ্শনত বন্ধন আৰু মুক্তি - এটি চমু আলোচনা | অনন্ত বৰুৱা | ৫ |
| ড° ভবেন্দ্ৰ নাথ শইকীয়াৰ অসমীয়া ভাষা সাহিত্যলৈ অৱদান | পপী চহৰীয়া | ৮ |
| অসমীয়া লোকবিশ্বাস আৰু সাম্প্ৰতিক কালত ইয়াৰ প্ৰাসঙ্গিকতা | অপূৰ্ব কুমাৰ নাথ | ১১ |
| শান্তিৰ বাৰ্তাবাহক হজৰত মহম্মদ(চঃ) | খাদিজা মৰমী আহমেদ | ১৪ |
| মহাবিদ্যালয়ত ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ প্ৰয়োজনীয়তা | হেমলতা দেৱী | ১৬ |
| জ্যোতি প্ৰসাদ আগৰৱালাৰ সংক্ষিপ্ত জীৱনপঞ্জী | নৃপেন ডেকা | ১৮ |
| মূল্যবোধৰ শিক্ষা | মনিকা শৰ্মা | ২১ |
| বৰ্তমান শিক্ষা ব্যৱস্থাত আধ্যাত্মিকতাৰ প্ৰয়োজনীয়তা | দিপ্তীপ্ৰিয়া দেৱী | ২৩ |
| **গল্পগুচ্ছ** | | |
| মই বুঢ়া হৈছোঁ | দুলাল হাজৰিকা | ২৪ |
| অবিনাশী আত্মাৰ মৰম | ৰাজু ডেকা | ২৬ |
| জীৱন | ৰশ্মি ৰেখা দেৱী | ২[illegible] |
| পুৰতি পখীৰ গান | গৌতম কুমাৰ নাথ | ৩[illegible] |
| দায়িত্ব | ববিতা ভূঞা | ৩[illegible] |
| ৰহস্যৰ আঁৰত | বৰ্ণালী ভৰদ্বাজ | ৩[illegible] |
| সাবিত্ৰী পাগলী | হেমলতা দেৱী | ৩[illegible] |
| প্ৰেতাত্মা | বন্দনা দাস | ৪[illegible] |
| আধা অঁকা ছবি | পম্পী ভূঞা | ৪[illegible] |
| এটা আজব সপোন | কনিস্ক ডেকা | ৪[illegible] |
| দুন্দুভিৰ পৰাজয় | ডাবু নাৰায়ণ কোঁৱৰ | ৪[illegible] |

| কবিতা কানন | কবি | পৃষ্ঠা নং |
|---|---|---|
| আহত সপোন | প্ৰসন্ন কুমাৰ নাথ | ৪৮ |
| গ্ৰেড | মণ্টু হাজৰিকা | ৪৯ |
| এক অনুভৱ | চন্দ্ৰ চৌধুৰী | ৫০ |
| বিদ্যামন্দিৰ | নবিৰুদ্দিন আহমেদ | ৫০ |
| বিশ্ৰান্তি | দিপান্বীতা দেৱী | ৫১ |
| অনুভৱত এখনি হৃদয় | কোকিলা শইকীয়া | ৫১ |
| কণ্টকময় জীৱন | বিজুলী কলিতা | ৫২ |
| কোনো এটা বছৰৰ শেষ আবেলি | গিৰিশ নাথ | ৫২ |
| বিমল জ্যোতি | জেউতি দেৱী | ৫৩ |
| প্ৰেম আৰু মানুহ | যুগমায়া কলিতা | ৫৩ |
| ছাঁ | ৰাতুল হাজৰিকা | ৫৪ |
| সোঁৱৰণি | কানন দেৱী | ৫৪ |
| তোমাৰ সতে | হিমাংশু গৌতম | ৫৫ |
| স্বাধীনতা | প্ৰিয়ঙ্কা চহৰীয়া | ৫৫ |
| আঘোনাৰ পথাৰ | ফুলন দেৱী | ৫৬ |
| কাইটীয়া জীৱন | অপূৰ্ব শৰ্মা | ৫৬ |
| মৌনতা | শৈলেন্দ্ৰ শৰ্মা | ৫৭ |
| কবিতা | কানন চহৰীয়া | ৫৭ |
| হিংসাৰ বিষাদ | বিল্লাল হুছেইন | ৫৮ |
| যাত্ৰা | ৰতন চন্দ্ৰ নাথ | ৫৮ |
| এখন হৃদয়ৰ সন্ধানত | গৌতম কুমাৰ নাথ | ৫৯ |
| হেৰোৱা সুবাস | বিনীতা দেৱী | ৫৯ |
| বিসন্ন আবেলিৰ গান | নৱমুক্ত বৰুৱা | ৬০ |
| চেনেহী আই | ধনমনি কলিতা | ৬০ |
| শান্তি | পুৰবী দেৱী | ৬১ |
| প্ৰত্যাহ্বান | বৰষা বৰুৱা | ৬১ |
| এখন বোৱতী নৈ | চন্দ্ৰমা হাজৰিকা | ৬২ |
| হে নৱাগত তোমাক স্বাগতম | কৰবী শৰ্মা | ৬২ |
| □□ | | |
| আলোচনীৰ প্ৰাক্তন সম্পাদক /তত্ত্বাৱধায়কৰ তালিকা | | ৭৭ |
| প্ৰাক্তন সাধাৰণ সম্পাদক /সভাপতি /কাৰ্যকৰী সভাপতিৰ তালিকা | | ৭৮ |
| সম্পাদকীয় প্ৰতিবেদন | | ৭৯-৮৪ |



# বিদায় বেলাত আমাৰ সৈতে অধ্যক্ষ
## শ্ৰীযুত বিদ্যাৰাম নাথ ছাৰ

ঃ ছাৰ, আজি এনেকুৱা এটা দিন সমাগত যি আমাৰ মনত, হয়তো আপোনাৰ মনতো সোমাই পৰিছে এটি বিষাদৰ ছাঁ হৈ। "বিদায়" আচলতে এক পবিত্ৰ স্মৃতি।

ঃ পৰিবৰ্তনশীল সময়। এই সময়ৰ সোঁতত শিৰ নত কৰিবলৈ আমিবোৰ বাধ্য। ছাৰ আপোনাৰ অনুমতি পালে আমি আগবাঢ়িব পাৰো।

প্ৰশ্ন ঃ- অৱসৰৰ প্ৰাকমুহূৰ্তত আপোনাৰ অনুভৱৰ বিষয়ে অলপ জনাব নেকি?

উঃ- "সময়ৰ ৰূপোৱালী বালিত বহি দেখিছো সপোন এৰি অহা দীঘল বাটৰ .... " হেম বৰুৱাৰ কবিতাৰ এই পংক্তিটো আজি কেবাদিনো ধৰি মনলৈ আহি আছে। মহাবিদ্যালয়ত বিশেষকৈ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত থাকি মই যে বৃদ্ধ হৈ পৰিলো সেয়া এতিয়াহে বোধহয় উপলব্ধি কৰিব পাৰিম। মহাবিদ্যালয়ৰ স্বাৰ্থত ব্যক্তিগত জীৱনৰ বহু কাম আধৰুৱা হৈ থাকিল, চাওঁ এতিয়া সিবোৰৰ কিবা কৰিব পাৰো নেকি!

প্ৰঃ- আপোনাৰ শিক্ষকতা কৰা মহাবিদ্যালয়খনে আপোনাক কি দিলে আৰু আপুনি নিজে কি পালে?

উঃ- মই নিজে মহাবিদ্যালয়খনক কিমান কি দিব পাৰিলো, সেয়া ছিপাঝাৰৰ স্থানীয় ৰাইজ, সময় আৰু তোমালোক ছাত্ৰ-ছাত্ৰী সকলোৱে মোতকৈ ভালদৰে জানিবা। মই নিজে কিন্তু বহুত কিবাকিবি পাইছোঁ। যোৱা তিনিটা দশক ধৰি কৰা ত্যাগৰ বিনিময়ত আৰ্থিকভাৱে সকাহ পোৱাটো অনস্বীকাৰ্য্য। ইয়াক মই অৱশ্যে গৌণহে জ্ঞান কৰোঁ। ছাত্ৰ ছাত্ৰীৰ মৰম, শ্ৰদ্ধাই মোক সদায়ে উদগনি দি আহিছে। তেওঁলোকৰ বাবেই মই ব্যক্তিগত অধ্যয়নতো উৎসাহ পাই আহিছো। মহাবিদ্যালয় পৰিয়ালটোৰ শ্ৰদ্ধা, মৰম সদায়ে সোঁৱৰণ কৰিম।

প্ৰঃ- অনুষ্ঠানৰ মূৰব্বীজনৰ সপক্ষে বা বিপক্ষে ৰা... মাজত একোটা ধাৰণাৰ সৃষ্টি হয়। আপুনি তেনে ধ... সন্মুখীন হৈছিল নেকি যিয়ে আপোনাক কষ্ট দিয়ে...

উঃ- ৰাইজ শব্দটো তোমাৰ প্ৰশ্নত আছে বাবে... লাগিব। ছিপাঝাৰৰ ৰাইজৰ আশীৰ্ব্বাদ মই ... নোৱাৰাকৈ পাইছো। পৰৱৰ্তী কাল সেয়াই মোৰ জী... পাথেয় হব। মুষ্টিমেয় কেইজনমানক বাদ দি যি অভ... মৰম-চেনেহ পাইছো সেয়া মই পাহৰিব নোৱা... প্ৰশ্নটোৰ লগত সংগতি নাই যদিও এইখিনিতে জ... তোমালোকৰ কেবাজনো শ্ৰদ্ধেয় শিক্ষক-শিক্ষয়ি... মোৰ কথামতে মহাবিদ্যালয় এৰি যাব নোৱাৰিলে।... মহাবিদ্যালয়ে ঘাটি মঞ্জুৰী পোৱাৰ আগতে পুতৌ... দৰ্মহাত থকা অৱস্থাত তেওঁলোকে চৰকাৰৰ ভাল চ... পাইছিল। মোৰ কথাতে মহাবিদ্যালয় এৰি নো... কথাষাৰ শুনিয়েই ভাল লাগি যায়। এনে উদাহৰণ ব... পৰাও পাইছোঁ।

প্ৰঃ- ছিপাঝাৰ এখন শিক্ষাত আগবঢ়া অঞ্চল।... ইয়াৰ পৰা এজনো বিশ্ববিদ্যালয় অনুদান আয়... যোগ্যতাসম্পন্ন অধ্যক্ষৰ সৃষ্টি নহ'ল কিয়?

উঃ- অধ্যক্ষ হোৱাৰ যোগ্য ব্যক্তি ছিপাঝাৰ অ... আছে আৰু হবও। মই আশাবাদী।

প্ৰঃ- শৈক্ষিক পৰিবেশ সৃষ্টিত ছিপাঝাৰ মহাবিদ্যা... ভূমিকা সম্পৰ্কে আপোনাৰ মতামত?

উঃ- ছিপাঝাৰত মহাবিদ্যালয় পতাৰ মূল লক্ষ্য অ... দুখীয়া ছাত্ৰ-ছাত্ৰীৰ বাবে উচ্চ শিক্ষাৰ ব্যৱস্থা কৰা।... লক্ষ্যত আমি নিশ্চয় উপনীত হৈছো। কিন্তু এইটো স্বী... নকৰি নোৱাৰি যে গুণগত দিশতো আমি সমানেই কৃ... হৈছো।

শৈক্ষিক পৰিবেশ সৃষ্টিত ছিপাঝাৰ মহাবিদ্যালয়ৰ ভূমিকা সম্পৰ্কে আমি সজাগ যদিও অঞ্চলৰ ৰাইজ চৰকাৰ আৰু ছাত্ৰ-ছাত্ৰীৰ সহযোগ হ'লে অঞ্চলটিত ভাল শৈক্ষিক পৰিবেশ নিশ্চয় সৃষ্টি হব। এই ক্ষেত্ৰত শিক্ষকসকলৰ দায়িত্ব অধিক। 'আমি চাকৰি কৰোঁ নে শিক্ষকতা কৰোঁ।' কথাষাৰ অলপ ভাবি আগবাঢ়ি গ'লে ছাত্ৰ-ছাত্ৰী, অভিভাৱক আৰু ৰাইজে নিশ্চয় শিক্ষকসকলক শ্ৰদ্ধা সহকাৰে সহযোগ কৰিব বুলি মোৰ দৃঢ় বিশ্বাস।

প্ৰঃ- আমাৰ মহাবিদ্যালয়খনক সৰ্বাঙ্গসুন্দৰ কৰিবলৈ হ'লে ৰাইজ তথা ছাত্ৰ-ছাত্ৰীৰ ভূমিকা কেনে হোৱা উচিত বুলি আপুনি ভাবে?

উঃ- প্ৰথমেই ছাত্ৰ-ছাত্ৰীসকলৰ কথা কৈছো। তেওঁলোকে নিজৰ সৰ্বপ্ৰথম দায়িত্ব "অধ্যয়ন" কৰিবই লাগিব। বাকী মহাবিদ্যালয়খন সম্পূৰ্ণ কৰাত ৰাইজ, চৰকাৰ তথা শিক্ষক-শিক্ষয়িত্ৰী সকলৰ কৰণীয় বহুত আৰু এই দিশত আগবঢ়াত গুৰিয়াল হ'ব লাগিব মহাবিদ্যালয়ৰ অধ্যক্ষজন।

প্ৰঃ- মহাবিদ্যালয়ত আপোনাৰ কাৰ্যকালত আপোনাৰ মানত কৃতকাৰ্য হোৱা ঘটনা বা তাৰ স্মৃতিৰ বিষয়ে অকণমান ক'ব নেকি?

উঃ- মোৰ কাৰ্য্যকালত নহয় মোৰ গোটেই জীৱনতে পোৱা ছাত্ৰ-ছাত্ৰীৰ মৰম শ্ৰদ্ধা মোৰ স্মৃতি নহয় 'সম্পদ'। ছিপাঝাৰ মহাবিদ্যালয়ৰ এক বিশেষ সময়ত (ইং০১-০৩-০৩ ৰ পৰা ৩০-০৪-০৫ তাৰিখলৈ) মুঠেই দুবছৰৰ বাবে মহাবিদ্যালয়ৰ অধ্যক্ষৰ ভাৰ লওঁ। যিসময়ত মই দায়িত্ব লওঁ সেই সময়ত মহাবিদ্যালয়খনৰ আৰ্থিক দৈন্যতাৰ বাবে বহু কৰিবলগীয়া কাম হোৱা নাছিল। তাৰোপৰি যোৱা দশকটোত বানপানীয়ে মহাবিদ্যালয়খনক বাৰুকৈয়ে জুৰুলা কৰিছে। এনে সময়তে পূৰ্ব্বতে আহ্বান কৰি যোৱা National Assessment and Accreditation Council-চমুকৈ NAAC ৰ পৰিদৰ্শন আহিল।

NAAC ৰ পৰিদৰ্শনৰ গইনা লৈয়েই মহাবিদ্যালয়ৰ সকলোৱে উঠিপৰি লাগি বহুকাম কৰা হয়। মহাবিদ্যালয়ত মাত্ৰ এটা শ্ৰেণীকোঠাৰ বাহিৰে বাকীবোৰৰ মজিয়া আৰু বেৰ আদি অসম্পূৰ্ণ আছিল। যুদ্ধৰ গতিত সেইবোৰ শেষ কৰা হয়। ইয়াৰ বাহিৰেও প্ৰতিটো বিভাগৰে বিভাগীয় কোঠাৰ যোগান ধৰা হয়। মহাবিদ্যালয়ত দুখন গেটৰ ব্যৱস্থা কৰা হয়। সাধাৰণভাৱে হলেও এখন কেন্টিনৰো ব্যৱস্থা কৰা হয়। প্ৰথমবাৰৰ বাবে এটা ছাত্ৰী জিৰণি কোঠা দিয়া হয়। মহাবিদ্যালয়ৰ খেলপথাৰখন জোখৰ নাছিল। সেইখনৰ বাবে যাৱতীয় মাটি লৈ সম্পূৰ্ণ কৰা হয়। প্ৰসঙ্গতে উনুকিয়াব খুজিছো মহাবিদ্যালয়ৰ হিতাকাংক্ষী শ্ৰদ্ধেয় গিৰীশ ডেকাৰ নাম। তেওঁৰ ২.৫ কঠা মাটিৰ ২৫ লেচা দান কৰে আৰু ২৫ লেচা মহাবিদ্যালয়ে সলনি দিয়ে। তেখেতৰ মাটিখিনি নহ'লে কেতিয়াও এখন জোখৰ খেলপথাৰ কৰিব পৰা নগ'লহেঁতেন। লগতে মহাবিদ্যালয়ৰ শিক্ষক-কৰ্মচাৰীসকলৰ আৰ্থিক দানেৰে (২.৫০ লাখ) এটি ভৱন নিৰ্মাণ কৰা হয়। আনকি প্ৰাক্তন ছাত্ৰ-ছাত্ৰীসকলেও আৰ্থিক সহায় আগবঢ়াই আমাক উৎসাহিত কৰিছে। তেওঁলোকৰ দানেৰেই ছাত্ৰ-ছাত্ৰীৰ বাবে খোৱা পানীৰ যোগান ধৰা হৈছে।

যথা সময়ত ইং ১৩/১০/০৪ আৰু ১৪/১০/০৪ তাৰিখে দুদিনীয়াকৈ NAAC ৰ পীয়েৰ টীমে আমাৰ মহাবিদ্যালয় পৰিদৰ্শন কৰে। পৰিদৰ্শনৰ অন্তত আমাৰ মহাবিদ্যালয় C++ ৰ গ্ৰেড পাবলৈ সক্ষম হয়। এইখিনিতে মহাবিদ্যালয়খন পৰিদৰ্শন কৰা পীয়েৰ টীমটোৱে আমালৈ আগবঢ়োৱা প্ৰসংশাসূচক টোকাৰ কিয়দংশ প্ৰসংগক্ৰমে জনাব বিচাৰিছোঁ - "Inspite of different constraints like perennial problems of flood, which have adversely affected the growth of the college, teachers are taking efforts to perform their duties enthusiastically and students are well disciplined. The principal enjoys very good cooperation from G.B. Presidents i.e. Deputy commissioner and members, his colleagues in academic and administrative matters. The parents and alumni maintain very good rapport

with the college and have a desire for its growth. Thus the Principal has been able to maintain a harmonious and well disciplined atmosphere on the campus.

The team spirit appears to have been nourished with the sense of brotherhood commitment and moral based approach by the dedicated and dynamic principal."

ইয়াৰ উপৰিও সাংসদ উন্নয়ন পুঁজিৰ পৰা ৫ লাখ, বিধায়ক পুঁজিৰ পৰা ১ লাখ, বুনিয়াদ আঁচনিৰ পৰা ১০ লাখ, বনবিভাগৰ পৰা ২ লাখ, 'পাব্লিক এডমিনিষ্ট্ৰেচন' বিভাগৰ পৰা ১ লাখ, UGC ৰ পৰা ইনফৰমেচন চেন্টাৰৰ বাবে দুই লাখ আদিয়েই প্ৰধান। মোৰ কাৰ্যকালৰ আন এটি উল্লেখযোগ্য কামৰ ভিতৰত প্ৰথমবাৰৰ বাবে এই কালছোৱাতেই UGC ৰ Teacher Fellowship প্ৰদান কৰা হয়।

প্ৰঃ- আপোনাৰ ভৱিষ্যৎ কৰ্মপন্থাৰ বিষয়ে অলপ ক'ব নেকি?

উঃ- বিশেষধৰণৰ কোনো চিন্তা এতিয়াই কৰা নাই। ৰাইজৰ মাজত থাকি বাকীখিনি সময় পাৰ কৰাৰ ই এতিয়াহে ভাবিছো, With you the students all the members of my college family I h done something for my beloved colleg

Hope, it will surely flourish one da

মোৰ আশীৰ্বাদ থাকিল।

শেষত ছাত্ৰে কয়...

তইঁতৰ মৰমে মোক কন্দুৱায় পৃথিৱীৰ জয় কৰা দৰে। শ্ৰদ্ধাটো ডাঙৰ বস্তু। মা মোৰ ভগৱান। আ তইঁত আহি মোৰ সন্মুখত বহি আছ, ইয়াতকৈ মোক শান্তি/ভগৱান একো নালাগে।

আচৰ্যকৰ কথা যে সিদিনা সেই দিনটোত ছাত্ৰ আবেগিক দেখিছিলো। চকু-মুখ, অন্তৰত এক বি ছাঁ। দেখি আমি অভিভূত হৈ পৰিলোঁ।

"সচাঁকৈয়ে বিদায় মৰ্মাহত যদিও সি পবিত্ৰ স্ম ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনাওঁ তেখেত দীৰ্ঘজীৱি হ' সু-চিন্তা সু-স্বাস্থ্যৰ অধিকাৰী হওঁক। তেখেতৰ আশী আমাৰ বাবে শিৰৰ বাণী হৈ জিলিকি থাকিব। ধন্য

(কথোপকথনত অংশ ললে ক্ৰমে মাননীয় সুৰেশ কুমাৰ, অনিতা চহৰীয়া, ৰতন নাথ আৰু নৃপেন ডেকাই

'মহা মহা পুৰুষৰ চানেকিৰে জীৱনৰ
আমিও কৰিব পাৰো জীৱন গঢ়িত,
অভিনয় শেষ হ'লে আয়ুবেলি মাৰ গ'লে
থৈ যাব পাৰো খোজ সময় বালিত।'

-আনন্দ চন্দ্ৰ আগৰৱালা

# "কুমৰ হৰণ" কাব্যত সমাজ-জীৱনৰ চিত্ৰ

প্ৰভা দেৱী
প্ৰৱক্তা, অসমীয়া বিভাগ

প্ৰতিজন কবি সাহিত্যিকৰ কৰ্মৰাশিত সমসাময়িক সমাজৰ পূৰ্ণ প্ৰভাৱ পৰিস্ফুট হয়। কাৰণ কবি সাহিত্যিক সকলৰ সাহিত্য কৰ্মৰ মূল ভিত্তিভূমি তেওঁলোক বসবাস কৰা সমাজখন। কোনো প্ৰতিভাবান ব্যক্তিয়ে সমাজক বাদ দি সাহিত্য সৃষ্টি কৰিব নোৱাৰে। কিয়নো সাহিত্য আৰু সমাজৰ সম্পৰ্ক নিবিড় আৰু ই অবিচ্ছেদ্য।

কবি-সাহিত্যিক সকল সমাজৰ উৰ্দ্ধত নহয়। শ্ৰীচন্দ্ৰ ভাৰতীয়েও সমাজৰ মাজত থাকি সমাজখনক পটভূমি হিচাপে গ্ৰহণ কৰি 'কুমৰ হৰণ' কাব্যখন ৰচনা কৰিছিল।

প্ৰাচীন কবি সকলে বিশেষকৈ মধ্যযুগীয় কবি সাহিত্যিকসকলে লোক শিক্ষাৰ উদ্দেশ্য আগত ৰাখি কাব্য ৰচনা কৰিবলগীয়া হোৱা বাবে সততে লোক ব্যৱহাৰৰ প্ৰতি পৰতো যথেষ্ট গুৰুত্ব দিবলগীয়া হৈছিল। সেয়েহে 'স্ত্ৰী শূদ্ৰ'ই যাতে বুজি কাব্যৰ বিষয়বস্তুৰ লগত সংযোগ স্থাপন কৰি ৰস আস্বাদন কৰিব পাৰে তাৰ প্ৰতি দৃষ্টি ৰাখি কবিসকলে কাব্য ৰচনা কৰিছিল। 'পূৰ্ব কবি অপ্ৰমাদী' মাধৱ কন্দলীয়েও সেয়েহে তেওঁৰ অনুদিত 'ৰামায়ন'ত বৰ্ণিত চিত্ৰিত হোৱা সমাজখনৰ কথা বৰ্ণনা নকৰি স্থানীয় সমাজৰ বৰ্ণনাতহে অধিক গুৰুত্ব দিছিল। সেইদৰে হৰিহৰ বিপ্ৰৰ 'বভ্ৰুবাহনৰ যুদ্ধ' কাব্যতো তৎকালীন সমাজৰেই চিত্ৰ ৰূপায়িত হৈছে। তদুপৰি ভক্তিধৰ্মৰ প্ৰবৰ্ত্তক মহাপুৰুষ শংকৰদেৱ, মাধৱদেৱকে আদি কৰি কবি সাহিত্যিক সকলৰ ৰচনাত সেই সময়ৰ সমাজৰ ৰাজনৈতিক, সামাজিক, অৰ্থনৈতিক, ধৰ্মীয় আৰু সাংস্কৃতিক চিত্ৰ অতি সুন্দৰকৈ প্ৰতিফলিত হৈছে। তেনেদৰে শ্ৰীচন্দ্ৰ ভাৰতী ওৰফে অনন্ত কন্দলী ৰচনাতো অসমীয়া সমাজ জীৱনে ধৰা দিয়াতো স্বাভাৱিক।

অসমীয়া সমাজ জীৱনৰ চিত্ৰ বুলিলে থলুৱা চিত্ৰৰ ৰহনো সোমায় থাকে। কিয়নো ভাৰতবৰ্ষ যিহেতু কৃষি-ভিত্তিক দেশ সেয়েহে ইয়াৰ অন্তৰ্গত ৰাজ্যবোৰৰ আচাৰ-ব্যৱহাৰ ৰীতি-নীতিৰ মাজত সাদৃশ্য থকাতো অতি স্বাভাৱিক। গতিকে অনন্ত কন্দলীকৃত "কুমৰ হৰণ" কাব্যতো অসমীয়া সমাজ জীৱনৰ চিত্ৰও ৰূপায়িত হোৱা দেখা যায়।

**সৰ্বভাৰতীয় চিত্ৰঃ**

ভাৰতীয় সমাজ ব্যৱস্থাত নামকৰণ এটা উল্লেখযোগ্য সংস্কাৰমূলক অনুষ্ঠান। এই নামাকৰণ সম্পৰ্কে জন মানসত নানান প্ৰকাৰৰ বিশ্বাস জড়িত হৈ আছে আৰু 'কুমৰ হৰণ' কাব্যত সেইদৰে বানাসুৰেও কন্যাটিৰ জন্মৰ পিছতে 'গণি পঢ়ি তাত পাছে উষা নাম থৈলা' বুলি উল্লেখ আছে।

বিবাহৰ পূৰ্বে যদি কন্যা পতিতা হয় বা নষ্ট হয় তেন্তে তাৰ পৰিণাম কি হ'ব ভাবি কন্যাৰ পিতৃ সকল অতিকৈ চিন্তান্বিত হয় আৰু তাৰ প্ৰতিকাৰৰ অৰ্থে পিতৃয়ে নানা ধৰণৰ কাৰ্য কৰিবলৈ লয়। 'কুমৰ হৰণ' কাব্যতো ইয়াৰ আভাস পোৱা যায়-

'অল্পতে উষাৰ দেখো ভৈলা কন্যা কাল।
আউৰ মোৰ গৃহত থৈবাক নোহে ভাল।।
নতু বিহা দেন্তে কন্যা যদি নষ্ট যাই।
ইহলোকে পাপ পৰলোকে নৰ্ক পাই।।

ভাৰতীয় সমাজ জীৱনত নাৰীৰ স্থান সম্পৰ্কে ভিন্ ভিন্ মত পোৱা যায়। বৈদিক যুগত নাৰীক অতি উচ্চ স্থান দিয়া হৈছিল যদিও কিন্তু পিছত লাহে লাহে নাৰীক পুৰুষ প্ৰধান সমাজে সততে তলত ৰাখিব বিচাৰিছিল। মনু সংহিতাত নাৰী সম্পৰ্কে থকা ধাৰণা এনে ধৰণৰ-

"পিতা ৰক্ষতি কৌমাৰে ভৰ্ত্তা ৰক্ষতি যৌৱনে।
ৰক্ষতি স্থবিৰে পুত্ৰান স্ত্ৰী স্বাতন্ত্ৰ্যমৰ্হতি।।"

'কুমৰ হৰণ' কাব্যতো বানৰ উক্তিত মনুসংহিতাত থকা নাৰীৰ মৰ্যদাৰ ধাৰণা লক্ষ্য কৰা যায়-

"চয়াল কালত বাপে ৰাখিবে কন্যাক।
যুবা ভৈলে স্বামী সঙ্গে সঙ্গ লাগে বঞ্চিবাক।।
বৃদ্ধ কালে ভৈলে পুত্ৰ পোষে যত্ন কৰি।
তিনিও কালত নাৰী নোহে স্বতন্ত্ৰী।।"

ভাৰতীয় সমাজ ব্যৱস্থাত কন্যা বিবাহোপযোগী হ'লে সাধাৰণতে মাক চিন্তাক্লিষ্ট হয়। 'ৰুক্মিনী হৰণ' কাব্যত ৰুক্মিনীৰ মাক শশীপ্ৰভা ৰুক্মিনীক উপযুক্ত পাত্ৰত বিয়া দিয়াৰ চিন্তাত ব্যাকুল হোৱা দেখা যায়। কিন্তু তাৰ বিপৰীতে 'কুমৰ হৰণ' কাব্যত বানাসুৰহে উষাৰ বিয়াৰ চিন্তাত চিন্তান্বিত হৈ কৈছে- 'জিউ দুষ্টা ভৈলে পিতৃ চণ্ডাল সমান।' এই কথাষাৰৰদ্বাৰা প্ৰাচীন ভাৰতবৰ্ষত কুমাৰীকালতে যে কন্যাক বিয়া দিয়াৰ প্ৰথা আছিল তাক জানিব পাৰি।

লোক জীৱনত লোক বিশ্বাস অতি গুৰুত্বপূৰ্ণ। সমাজত প্ৰচলিত তন্ত্ৰ-মন্ত্ৰ আদি এইজন বিশ্বাসৰ আধাৰত সৃষ্টি হৈছে। তামসিক বিদ্যা সদৃশ 'হৰণ লুকী মায়া' ৰ সৃষ্টিও এটা জন বিশ্বাসৰে ফলশ্ৰুতি। চিত্ৰলেখা মায়াবিনী। মায়াৰ সহায়েৰে তেওঁ সকলো অসাধ্য সাধন কৰিব পাৰে যদিও নাৰদৰ কথামতে চিত্ৰলেখাই হৰণলুকী মায়াৰ প্ৰভাৱত বহাগ মাহতে ভাদ মাহৰ সৃষ্টি কৰি অনিৰুদ্ধ কুমৰক হৰণ কৰাৰ পৰিকল্পনা কৰিছে। তদুপৰি কবিয়ে চিত্ৰলেখাৰ চিত্ৰ কৰ্মৰ যোগেদিও অসম তথা সৰ্বভাৰতীয় চিত্ৰবিদ্যাৰ স্পষ্ট আভাস দিছে আৰু উষা-চিত্ৰলেখাৰ সখীত্বৰ মাজেদি অসমীয়া সমাজ জীৱনৰেই চিত্ৰ পৰিস্ফুট হৈছে। অৱশ্যে ভাৰতীয় নাৰী সমাজতো সখী চৰিত্ৰ নোহোৱা নহয়।

ভাৰতীয় জনবিশ্বাস মতে কোনো এটা ঘটনাৰ আভাষ ঘটনাটো ঘটাৰ পূৰ্বেই ই মঙ্গলজনক নে অমঙ্গলজনক তাক কিছুমান চিহ্নৰ দ্বাৰাই জানিব পাৰি। ঠাই ভেদে এই চিহ্নবোৰ কিছু কিছু বেলেগ বেলেগ। ইয়াৰ আভাষ কুমৰ হৰণ কাব্যত বিদ্যমান। কাব্যত শ্ৰীকৃষ্ণই শোণিতপুৰ আক্ৰমণ কৰিবলৈ অহাৰ পূৰ্বেই ৰজা বানে ভৱিষ্যত বিপদৰ উমান পাইছে, এইদৰে-

"ফন্দে উৰু কৰ বাহু কপোল হৃদয়।
উলকা নিৰ্ঘাত ধুমকেটু দৰশয়।।"

আকৌ যুদ্ধৰ প্ৰাক্মুহূৰ্ততো বান ৰজাই নানা ধৰণৰ অমঙ্গলৰ চিন দেখিবলৈ পাইছে-

'দশ অক্ষৌহিনী সেনা লগে চলি যাই।
প্ৰজাৰ উপৰে কাক-শগুন উড়াই।।
আৰো দেখিলেক ৰাজা তৈলৰ পহাৰী।
আগে হৈয়া যাই দেখে খৰি ভাৰ চাৰি।।"

<u>অসমীয়া সমাজ জীৱনৰ চিত্ৰঃ</u>

সৰ্বভাৰতীয় সামাজিক পটভূমিৰ উপৰিও বিশুদ্ধ অসমীয়া সমাজ জীৱনৰ চিত্ৰ "কুমৰ হৰণ" কাব্যত বিৰাজমান। কাব্যত চিত্ৰিত হোৱা উষাই সপোন-কোঁৱৰক দিঠকত নাপাই আত্মহত্যা কৰিবলৈ ওলোৱা কাৰ্যই ভাৱ বিহ্বলা, সৰল স্বভাৱৰ গঞা নাৰীকেই প্ৰতিফলিত কৰিছে যেন লাগে।

বোৱাৰীয়ে বয়োজ্যেষ্ঠ জনক দেখিলে মূৰত ওৰণি লোৱাতো অসমীয়া সমাজৰ এটি প্ৰচলিত প্ৰথা। 'কুমৰ হৰণ' কাব্যত চিত্ৰত কামদেৱক দেখি উষাইও লাজত ওৰণি লৈছে।

'পাছে কামদেৱক দেখিলা কৃষ্ণ পাশে।
মাথে বস্ত্ৰ দিয়া লাজে বচন নাভাষে।।'

ভাৰতীয় নাৰীয়ে পিন্ধা অলংকাৰবোৰ অসমীয়া নাৰীয়ে পিন্ধা অলংকাৰৰ লগত একে যদিও নাম আৰু ... গঠনবোৰ বেলেগ বেলেগ। দ্বাৰকালৈ যোৱাৰ মুহূৰ্তত চিত্ৰলেখাই পিন্ধা অলংকাৰবোৰ নিভাজ অসমীয়া-

'গ্ৰীৱে লৈলা গজমতি শিৰে দুলে জেঠি।
দশো আঙুলিত ঝাম্পি সোণাৰ আঙুঠি।।'

অসমীয়া মানুহে নুশুনিবলগীয়া কথা হ'লে ... নাম লৈ ভূমি চুই কাণ স্পৰ্শ কৰে। কাব্যত উষাই ...লেখাক 'আগে শাস খাই পাছে দিবিহি বাকলি' বুলি ...ত চিত্ৰলেখাই ভূমি চুই ভগৱানৰ নাম লৈ কাণ ... কৰিছে-

'হেন দেখি চিত্ৰলেখা দিলা সমিধান।
ভূমি চুই বিষ্ণুস্মৰি পৰশিলা কাণ।'

'কুমৰ হৰণ' কাব্যত চিত্ৰলেখাই অনিৰুদ্ধ ...ক যিবোৰ ব্যঞ্জন ৰান্ধি পৰিৱেশন কৰিছে সেই ...বোৰেই নিভাজ অসমীয়া খাদ্য সম্ভাৰ যেনে- পিঠা- ...ন, দৈ, শালি চাউলৰ ভাত, মুগ-মচুৰ দালি, ঘিউ, ...চুৰা আদি অসমীয়া মানুহৰ প্ৰিয় খাদ্য বিভিন্ন শাক- ...লি, বেঙেনা, আদিৰ লগতে বিভিন্ন টেঙাৰ আঞ্জাত ...মীয়া মানুহে খাই ভাল পায়। কাব্যত কন্দলীয়ে ইয়াৰ ... অতি সুন্দৰকৈ দাঙি ধৰিছে।

অসমীয়া সমাজত মাংসৰ ভিতৰত পাৰ, খাহী, হৰিণা, বৰা আদিৰ মাংসই যে প্ৰচলিত আছিল তাৰ ... 'কুমৰ হৰণ' কাব্যত পোৱা যায়-

'আদা-লোণ খনী জিৰা মৰিচক দিল।
ভাজিলে খাসীৰ মাংস বাসৰে ৰঞ্জিল।।
পাৰৱত আনি তাই কৰিলেক তলা।
কচ্ছপৰ মাংখত দিলেক বৰকলা।।
হৰিণৰ মাংস সমে হিঙ্গৰ স্ফোটন।
ৰম্ভামূলে বৰাহৰ মাংস বিতোপন।।

সেইদৰে কবিয়ে অসমীয়া মানুহৰ প্ৰিয় মাছৰ ... অতি সুন্দৰকৈ কাব্যত দাঙি ধৰিছে-

'বড়ালীৰ ঘাণ্টি লাড়ি মৎসত মচুৰ।
কচে বচে বেসুৱাৰি শৌলে মূলে সংগ।।
ডৰিকে বেঙ্গলে আড়ি মাছত পালংগ।
কাঠি অৰা কৰে তঞি ইলিহ কান্দোল।।"

অসমীয়া মানুহে আঞ্জা সুমিষ্ট কৰিবলৈ আদা, লোণ, খনী, জিৰা, হিং, কৰ্পূৰ আদি মছলাৰ ব্যৱহাৰ কৰি আহিছে। 'কুমৰ হৰণ' কাব্যতো চিত্ৰলেখাই উক্ত মছলা ব্যৱহাৰ কৰি অনিৰুদ্ধ কুমৰক সুমিষ্ট ব্যঞ্জন ভোজন কৰোৱাৰল উল্লেখ আছে-

'আদা লোণ-খনী জিৰা মৰিচক দিল।'

অসমীয়া সমাজত অন্নগ্ৰহণ কৰাৰ আগতে জাত-কুলৰ বিচাৰ কৰাতো প্ৰচলিত ৰীতি। কাব্যত চিত্ৰলেখাই কুমৰক অন্ন ভোজন কৰিবলৈ দিয়াত কুমৰে এইদৰে প্ৰশ্ন কৰিছে-

'মঞি অন্ন ভূঞ্জিবো তোক্ষাৰ কিবা কুল।'

তামোল-পাণ অসমীয়া সমাজ জীৱনৰ এক অবিচ্ছেদ্য অংগ। সকলো শুভ কাৰ্যতে অসমীয়া মানুহে তামোল-পাণৰ ব্যৱহাৰ কৰি আহিছে। কাব্যত উষা-অনিৰুদ্ধৰ বিয়াতো-চিত্ৰলেখাই দুয়োৰে হাতত তামোল দিছে- 'দুইৰো হাতে দুইকো নিয়া দিয়াইলা তাম্বুল।'

আকৌ ভোজনৰ অন্তত তামোল-পাণেৰে মুহদি নকৰিলে মুখৰ চুৱা নাযায় বুলি অসমীয়া মানুহে বিশ্বাস কৰে। উষা অনিৰুদ্ধই ও ভোজনৰ অন্তত মুহদি কৰিছে-

'কৰ্পূৰ তাম্বুল ভূঞ্জি শয্যাক গৈলন্ত।'

অসমীয়া সমাজ-ব্যৱস্থাত পিতৃ সম্পত্তিৰ ওপৰত কন্যাৰ অধিকাৰ নাই, স্বামীৰ সম্পত্তিৰ ওপৰতহে পূৰ্ণ অধিকাৰ আছে। কাব্যত উষাই স্বামী অনিৰুদ্ধৰ আগত পিতৃ সম্পত্তি সম্পৰ্কে এইদৰে কৈছে।

'বাপৰ ধনক সব পৰিয়ালে খাই।
ভাইৰ ধন মান সবে হাত তোলা পাই।।
স্বামীৰ ধনক সৰ্বকালে কৰে ভোগ।'

কবি অনন্ত কন্দলীয়ে কুঁজিৰ দ্বাৰা অনিৰুদ্ধ কুমৰক কৰা তিৰস্কাৰ আৰু উষাই কুঁজিক কৰা তিৰস্কাৰৰ বৰ্ণনা অসমীয়া সমাজৰ পৰাই গ্ৰহণ কৰিছে।

অসমীয়া সমাজত 'তিৰিচোৰ'ক কঠোৰ শাস্তি বিহাৰ নিয়ম আছে। 'কুমৰ হৰণ' কাব্যতো তাৰ উল্লেখ আছে-

'চবড় চাপৰ মাৰি তিৰিচোৰ ধৰি।
ইহাক দণ্ডিলে লোক বুলিবেক হৰি।।'

তদুপৰি কবিয়ে চিনাকি চৰাই-চিৰিকতি, কাউৰী, শগুন, কুলি, ময়ুৰ, খঞ্জন আদিৰ লগতে শিয়াল, ইন্দুৰ, নেউল, তক্ষক, মগৰ, বৃষভ, হৰিণ আদি জীৱ-জন্তুৰ বৰ্ণনাও অসমীয়া প্ৰকৃতিৰ বুকুৰ পৰাই বুটলি আনি কাব্যত ঠাই দিছে। ইমানেই নহয়, পোক পৰুৱাৰ বৰ্ণনাও দাঙি ধৰিবলৈ কবিয়ে পাহৰা নাই।

কাব্যত সন্নিবিষ্ট নাৰদ, গনক আৰু নাপিতৰ চৰিত্ৰ কবিয়ে সম্পূৰ্ণৰূপে লোক জীৱনৰ পৰাই সমল সংগ্ৰহ কৰি সৃষ্টি কৰিছে। অসমীয়া সমাজত নাৰদ চৰিত্ৰক প্ৰধানকৈ টুটুকীয়া আৰু লগনীয়া স্বভাৱৰ বুলি ধৰা হয়। কাব্যত কবিয়ে নাৰদক অকল টুটুকীয়া বুলিয়ে এৰা নাই বৰং মায়া বিদ্যাত পাকৈত আৰু চিত্ৰলেখাক চুৰি বিদ্যা শিকাই অনিৰুদ্ধ হৰণত সহায় কৰিছে। সেইদৰে কবিয়ে কাব্যত চিত্ৰিত হোৱা কুঁজি বুঢ়ীৰ চৰিত্ৰৰ সহায়েৰেও অসমীয়া সমাজত থকা লুভীয়া আৰু উচ্চাভিলাসী তিৰোতাৰ চিত্ৰকেই ফুটাই তুলিছে।

'কুমৰ হৰণ' কাব্যত কবিয়ে অসমীয়া চিনাকি বাদ্যযন্ত্ৰ- তাল, মৃদঙ্গ, মাদল, কৰতাল, আদিৰ বৰ্ণনা অতি সুন্দৰকৈ দাঙি ধৰিছে। তদুপৰি ইয়াত অসমীয়া পৰম্পৰাগত সঙ্গীত শৈলীৰ স্বৰ বিভাজন, পদ্ধতি ... বিভিন্ন ৰাগ, ৰাগিণীৰো উল্লেখ আছে-

'মালাৱত ৰাগ মালৈ কৰোক কৰ্ণাড়ি।
কৰ্ণাট সুৰাগ, সুহাই মালৱী মল্লাড়।।
ললিত বিভাগ মঞ্জু ভৈৰৱী মল্লাড়ী।
ৰামগিৰি ধনশিৰি ভূপালি বৰাড়ি।।' ইত্যাদি

কবিয়ে যুদ্ধৰ বৰ্ণনা দিওঁতে অসমীয়া সমাজ... অমসীয়া সমাজত প্ৰচলিত যুদ্ধক্ষেত্ৰ, গজ, ঘোড়া, ... সমদল, সেনা, সাৰথি আদি শব্দ প্ৰয়োগ কৰিছে। ... সেয়ে নহয়, কাব্যত ব্যৱহৃত মাতৃ, পুত্ৰ, মাৰ, পিতৃ, ... পুত্ৰ, বধু, কন্যা, সখী, দাস-দাসী আদি সম্বন্ধবাচক ... জৰিয়তেও কবিয়ে অসমীয়া সমাজকেই প্ৰতিফলিত কৰিছে।

অসমীয়া ঘৰুৱা জীৱনৰ পৰিবেশ ... কৰিবলৈকে কবিয়ে লোক সমাজত ব্যৱহৃত ঘৰুৱা ... ফকৰা-যোজনা, পটন্তৰ আদিৰ প্ৰয়োগ কৰিছে।

ঘৰুৱা শব্দ- উস্‌মিস্, লচপচ, জোট-... কাউ-কাউ, হাতলৰ, হাততোলা ইত্যাদি।

যোজনা পটন্তৰ-বিগুটি সখী নামাতিবা মো...

২) খুদখাই নষ্ট কৰা অমৃতৰ ভোগ।

৩) ফৰিঙ্গ উড়য় যেন দিশি দিশান্তৰ। ইত্যাদি

এনেদৰে কবি অনন্ত কন্দলীয়ে 'কুমৰ হ... কাব্যৰ মাজেৰে অসমীয়া সমাজ জীৱনৰ চিত্ৰ অ... মনোৰমকৈ তুলি ধৰিছে। ☐☐


প্ৰসঙ্গ পুথি-

১) ড° নবীন চন্দ্ৰ শৰ্মা (সম্পা)ঃ কুমৰ হৰণ

২) ড° ৰমেশ পাঠক (সম্পা)ঃ কুমৰ হৰণ

৩) ড° সত্যেন্দ্ৰ নাথ শৰ্মা ঃ অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত

৪) ড° পূৰ্ণানন্দ শইকীয়া ঃ অসমীয়া কাব্যৰ অধ্যয়ন

৫) ড° বাণীকান্ত কাকতি ঃ পুৰণি অসমীয়া সাহিত্য।


# 'ভাৰতীয় দৰ্শনত বন্ধন আৰু মুক্তি' এটি চমু আলোচনা


অনন্ত বৰুৱা
প্ৰৱক্তা, দৰ্শন বিভাগ


"অসতোমা সদগময়।
তমসোমা জ্যোৰ্তিগময়।
মৃত্যোৰ্মা অমৃতং গময়।।"

ভাৰতীয় দৰ্শন এক মোক্ষ প্ৰাপ্তিৰ দৰ্শন। চাৰ্বাক দৰ্শনৰ বাহিৰে আন সকলো ভাৰতীয় দৰ্শনেই বন্ধন আৰু মুক্তি বিশ্বাস কৰে। সংসাৰ দুখৰ পৰা মুক্তিৰ পথ বিচৰাটোৱেই হ'ল ভাৰতীয় দৰ্শনৰ প্ৰধান উদ্দেশ্য। আমি ...চৰাচৰ প্ৰাৰ্থনাত ব্যৱহাৰ কৰা "হে প্ৰভু মোক অসত্যৰ পৰা সত্যলৈ, আন্ধাৰৰ পৰা পোহৰলৈ আৰু মৃত্যুৰ পৰা অমৃতলৈ নিয়া" - এই মন্ত্ৰটোৱে আমি যে মুক্তিকামী তাকে বুজায়।

ভাৰতীয় দৰ্শন মুঠতে ন (৯) খন। তাৰে তিনিখন (চাৰ্বাক, বৌদ্ধ আৰু জৈন) নাস্তিক বা অবৈদিক আৰু আন ছয়খন (ন্যায়, বৈশেষিক, মীমাংসা, সাংখ্য, যোগ আৰু বেদান্ত) আস্তিক বা বৈদিক দৰ্শন। একমাত্ৰ চাৰ্বাক দৰ্শনে বন্ধন আৰু মুক্তি এই দুটা কথাক বিশ্বাস নকৰে। তেওঁলোকৰ মতে স্বৰ্গ বা নৰক, ঈশ্বৰ, মোক্ষ আদি একো নাই। এওঁলোকৰ মতে পৰাধীনতাই হ'ল বন্ধন আৰু স্বাধীনতাই হ'ল মুক্তি। সংসাৰ ভোগত আসক্ত থকাই হ'ল মানুহৰ জীৱনৰ প্ৰধান লক্ষ্য।

বৌদ্ধ দৰ্শন নাস্তিক বা অবৈদি দৰ্শন হ'লেও মোক্ষ বা মুক্তি বিশ্বাস কৰে। বুদ্ধৰ কাৰণে মোক্ষ হ'ল নিৰ্বান। নিৰ্বান হ'ল সংসাৰ বন্ধন বা সংসাৰ দুখৰ অৱসান। ইন্দ্ৰিয় সম্ভুত আনন্দ, সুখ, খং, দুখ, ভয়, আসক্তি ইত্যাদিৰ ...বা মানুহ সংসাৰ বন্ধনত আৱদ্ধ হয়। জন্ম চক্ৰ বা ভৱ চক্ৰৰ পৰা হাত সাৰিব পৰাটোৱেই হ'ল নিৰ্বান। এই মুক্তিৰ স্বৰূপ কি আৰু তাক মুক্তজনৰ বাদে অন্যে জানিব নোৱাৰে।

আকৌ জৈন দৰ্শনেও মোক্ষ প্ৰাপ্তিত বিশ্বাস কৰে। এওঁলোকৰ মতে কৰ্মই আত্মাক বন্ধন অৱস্থাত থয় অৰু কৰ্মক ধংস কৰাটোৱেই হ'ল মোক্ষ প্ৰাপ্তিৰ প্ৰধান উপায়। কৰ্মই আত্মাক দূষিত কৰে। এওঁলোকৰ মতে আত্মা অসীম প্ৰত্যক্ষ সম্পন্ন। আত্মাৰ এইবোৰ অৱস্থা প্ৰাপ্তিয়েই হ'ল মোক্ষ প্ৰাপ্তি। কৰ্মই আত্মাক ইয়াৰ আচল অৱস্থাৰ পৰা আঁতৰাই ৰাখে। কৰ্মক নাশ কৰিব পাৰিলেই আত্মাই মোক্ষ লাভ কৰিব পাৰে।

ন্যায় আৰু বৈশেষিক দৰ্শনে বন্ধন আৰু মোক্ষক বিশ্বাস কৰে। আত্মাৰ শুদ্ধ সত্বা লাভ কৰাটোৱেই হ'ল মোক্ষ। আত্মা বন্ধন অৱস্থালৈ আহে যেতিয়া ই মন আৰু শৰীৰৰ লগত সুযুক্ত হয়। আত্মা প্ৰকৃততে অচেতন। ই চৈতন্য যুক্ত হয় যেতিয়া ই শৰীৰত প্ৰবেশ কৰে। "আত্মা" এই চৈতন্য অৱস্থাটোৱেই হ'ল বন্ধন অৱস্থা। এতেকে চৈতন্যৰ বিলোপ সাধনেই হ'ল আত্মাৰ মোক্ষ আৰু মোক্ষ প্ৰাপ্তি সম্ভৱ হয় সত্যৰ সম্যক উপলব্ধিত। এই উপলব্ধি সম্ভৱ হয় সুখ আৰু দুখ এই দুয়োভাৱৰ বিলুপ্তি সাধনত।

মীমাংসা দৰ্শনেও বন্ধন আৰু মোক্ষক মানি লৈছে। মুক্তি হ'ল আত্মাৰ স্বৰূপ লক্ষণ বা অৱস্থা। ই সুখ-দুখৰ অতীত এক অৱস্থা। ন্যায় দৰ্শনৰ দৰে মীমাংসা দৰ্শনেও মানি লয় যে আত্মা স্বৰূপাৰ্থত অচেতন। চৈতন্যযুক্ত অৱস্থাতহে সুখ-দুখৰ অনুভৱ হ'ব পাৰে। সুখ-দুখ নাশ হ'লেহে আত্মা বন্ধনৰ পৰা মুক্ত অৱস্থা প্ৰাপ্ত হয়।

সাংখ্য দর্শনেও বন্ধন আৰু মোক্ষক মানি লয়। পুৰুষ আৰু প্ৰকৃতিৰ পাৰ্থক্য জ্ঞানেই হ'ল মোক্ষ লাভৰ ঘাই উপায়। পুৰুষ আৰু প্ৰকৃতিক একে বুলি ভবা অৱস্থাটোৱেই বন্ধন। পুৰুষ সদায় স্বাধীন আৰু ই প্ৰকৃতিৰ পৰা বেলেগ। ভুলবশতঃ পুৰুষ আৰু প্ৰকৃতিক একেলগ কৰা হয়। শৰীৰ, মন, ইন্দ্ৰিয় আদি প্ৰকৃত সম্ভূত। গতিকে এইবোৰৰ লগত যেতিয়ালৈকে পুৰুষ একত্ৰিত হৈ থাকে তেতিয়ালৈকে ই মুক্ত হ'ব নাৱাৰে। মীমাংসা দৰ্শনৰ দৰে সাংখ্য দর্শনেও মানি লয় যে মুক্তি অৱস্থাটো দুখ-সুবিহীন এক নেতিসূচক অৱস্থা।

যোগ দর্শনৰ মুক্তিৰ আলোচনা সাংখ্য দর্শনৰ লগত মিল আছে। চিত্তবৃত্তিৰ পৰা মুক্ত কৰাটোৱে আত্মাৰ মুক্তি অৱস্থা। মুক্ত অৱস্থাত আত্মাই নিজস্ব সত্তা লাভ কৰে।

শঙ্কৰৰ অদৈত বেদান্তয়ো মুক্তি আৰু বন্ধনৰ কথা বিশ্বাস কৰে। অদ্বৈত বেদান্তই কয় যে আত্মা সদায় মুক্ত। ই নিত্য আৰু শুদ্ধ। আত্মাৰ বন্ধন অৱস্থাটো এটা মিছা অৱস্থা। ই বন্ধন হয় আমাৰ অবিদ্যাৰ বাবে। আত্মাই অবিদ্যাবশতঃ নিজকে (বন্ধন অৱস্থাত) মনযুক্ত শৰীৰ বুলি ভাবে। আচলতে মনযুক্ত শৰীৰ মায়া সম্ভূত। আত্মা আৰু শৰীৰৰ এই তথাকথিত মিলনেই হ'ল বন্ধন অৱস্থা। এই বন্ধন অৱস্থাৰ অৱসান ঘটে বিদ্যা বা ব্ৰহ্মবিদ্যাৰ ফলতে। এই বন্ধন অৱস্থাৰ অৱসানেই হ'ল মুক্তি অৱস্থা আৰু এই অৱস্থাতে আত্মাই নিজকে ব্ৰহ্ম বুলি চিনাকি দিব পাৰে। এই অৱস্থাটোৱে হ'ল সৎ চিৎ আনন্দৰ অৱস্থা বা সচ্চিদানন্দ।

ৰামানুজৰ বিশিষ্টাদ্বৈত বেদান্তয়ো বন্ধন আৰু মুক্তিৰ কথা মানি লয়। এওঁৰ মতে কৰ্মফল ভোগেই হ'ল জীৱৰ বন্ধন অৱস্থা। আত্মা প্ৰকৃততে ব্ৰহ্ম বা ঈশ্বৰৰ অংশ। অবিদ্যাবশতঃ আত্মা দেহৰ লগত যোগ হয় আৰু তেতিয়া ই ঈশ্বৰৰ যে অংশ সেই কথা পাহৰি থাকে। মোক্ষ লাভত আত্মা দেহৰ পৰা আঁতৰি যায় আৰু ই ঈশ্বৰৰ লগত মিলিত হয়।

চাৰ্বাক দৰ্শনৰ বাহিৰে আন সকলো দর্শনে মোক্ষৰ এক পৰমাৰ্থ অৱস্থাৰ কথা চিন্তা কৰিছে। এতে ইয়াৰ নিশ্চয় দাৰ্শনিক তাৎপৰ্য থাকিব লাগিব। ভাৰতী দৰ্শনে মুক্তিৰ অকল স্বৰূপ নিৰ্ণয়তে আবদ্ধ থকা না ইয়াক কেনেকৈ লাভ কৰিব পাৰি তাৰ উপায় উদ্ভা কৰিবলৈ চেষ্টা কৰিছে। আমাৰ বৰ্তমান জীৱন এক ব জীৱন। ই যে প্ৰকৃত জীৱন নহয় এই কথা প্ৰায় সকল ভাৰতীয় দৰ্শনে মানি লৈছে। এই প্ৰকল্পৰ ভিত্তি আনুষংগিক তথ্যবোৰৰ (জীৱন, জগত, ঈশ্বৰ আ আলোচনা আৰু বাখ্যা কৰিছে। বন্ধন আৰু মুক্তিৰ দাৰ্শনিক তাৎপৰ্য নাথাকে তেন্তে ইহঁতক গুৰুত্ব দি অৰ্থ নাই।

ভাৰতীয় দৰ্শনৰ উপৰিও ভাৰতীয় ধৰ্ম মোক্ষ প্ৰাপ্তিৰ পথ দেখুওৱাৰ এক আহিলা। কেনে জীৱন নিৰ্বাহ কৰিলে আমি সংসাৰ বন্ধনৰ পৰা হাত সাৰি পাৰো সিয়েই হ'ল ভাৰতীয় ধৰ্মৰ মূল সমস্যা। গতি দেখা যায় ভাৰতীয় জীৱনৰ লগত মোক্ষৰ এক ও সম্বন্ধ আছে আৰু এই মোক্ষৰ পৰিপ্ৰেক্ষিতহে জীৱ মূল্যাংকন কৰা যায়।

নিৰপেক্ষ দৃষ্টিত বন্ধন আৰু মোক্ষ- এই দু ধাৰণাৰ তাৎপৰ্য আছে। কাৰণ মানৱ জীৱন গোটেই ব্ৰহ্মাণ্ডৰ যে এটা অংশ তাক নুই কৰিব নোৱাৰি। গতি ইয়াৰ এটা পাৰমাৰ্থিক অৰ্থ নিশ্চয় আছে। এই জগত পৰিবৰ্তনীয় আৰু ইয়াত ঘটা ঘটনাৱলী যে নিত্য নহয় সে কথা সকলোৱে বিদিত। গতিকে জগত অনিত্য আৰু ই ঘটনাৱলীও অনিত্য। কিন্তু অনিত্যৰ অন্তৰালত নিশ্চয় কি এটা নিত্য সত্তা আছে। ডেৰ্কাট আৰু স্পিনোজাই substance বুলি কৈছে; হেগেলৰ মতে Absolute; বাগে মতে Elam Vital কাণ্টৰ মতে Things in Themselv শঙ্কৰৰ মতে ব্ৰহ্ম। গতিকে এই জীৱনৰ অন্তৰালত পাৰমাৰ্থিক জীৱন বা সত্তাৰ কথা প্ৰায়বোৰ দর্শনেই মা এইবোৰৰ উপলব্ধি হ'ব পাৰে বুলিও বহুতৰ বিশ্বাস। কি ইয়াৰ বাবে লাগে প্ৰকৃত জ্ঞান।

সাধাৰণতে আমি যি জ্ঞান লাভ কৰো সেই জ্ঞান ডলিৰ ভাষাত "বিচাৰ" (Thought) ; যাৰদ্বাৰা আমি ত্তাৰ অৱভাষ ৰূপ (Appearence) জানিব পাৰো। াগছোৰ ভাষাত প্ৰজ্ঞা। (Intuition) যি আমাক স্থিৰ ত্তা (static Reality) জ্ঞান দিয়ে। কাণ্টৰ ভাষাত বোধ (Understanding) যি আমাক প্ৰপঞ্চ জগতৰ Phenomental World) জ্ঞান দিয়ে। শঙ্কৰৰ ভাষাত অবিদ্যা' যি 'মায়া' বা মিছা জগতৰ লগত পৰিচয় দিয়ে। তিকে এইবোৰ জ্ঞান আচল জ্ঞান নহয়। এইবোৰ জ্ঞানে কৃত সত্তাৰ উপলব্ধি জন্মাব নোৱাৰে।

